# গৌহাটী উচ্চ ন্যায়ালয়

(ন্যায়াধীশ কে. লাহিৰিৰ বিচাৰপীঠ)

দেবি ভট্টাচাৰ্য ..... আবেদনকাৰী

-বনাম-

অসম চৰকাৰ .... অপৰ পক্ষ

ফৌজদাৰী পুনৰীক্ষণ আবেদন নং ১২৯ চন ১৯৭৭

ৰায় প্ৰদানৰ তাৰিখ ১২ এপ্ৰিল, ১৯৮২

**ৰায়**

১) এই পুনৰীক্ষণ আবেদন আসাম গেমচ্ এণ্ড বেটিং এক্ট (অসম জুৱা আৰু বাজী আইন, ১৯৭০)ৰ ১৪ নং ধাৰাৰ অধীনত আচামীক দোষী সাব্যস্ত কৰাৰ আদেশৰ বিৰুদ্ধে দাখিল কৰা হৈছে । আবেদনকাৰীক শাস্তি হিচাপে ৬ মাহৰ সশ্ৰম কাৰদণ্ডৰ লগতে ১০০০ টকাৰ জৰিমনা, অনাদায়ে অতিৰিক্ত ১৫ দিনৰ সশ্ৰম কাৰাদণ্ড বিহা হৈছিল। এই শাস্তিৰ আদেশৰ বিৰুদ্ধে আপীল কৰাত দোষী সাব্যস্ত কৰি দিয়া শাস্তিৰ আদেশটো বিজ্ঞ সত্ৰ ন্যায়াধীশে বাহাল ৰাখিছে।

২) আবেদনকাৰীৰ বিৰুদ্ধে গোচৰটো হ'ল যে যোৱা ১৪-৩-১৯৭৫ তাৰিখে দিনৰ প্ৰায় ২.৪৫ মান বজাত তেঁওক মালিগাঁৱত তীৰখেলৰ টিকট বিক্ৰী কৰি থকা অৱস্থাত পোৱা গৈছিল আৰু লগত কিছুসংখ্যক "বাজীৰ সঁজুলি"ও পোৱা গৈছিল। তেওঁক আৰক্ষীয়ে কৰায়ত্ত কৰিছিল আৰু বাজীৰ সঁজুলিসমূহ জব্দ কৰা হৈছিল। তদন্ত সমাপ্ত হোৱাৰ পাছত আৰক্ষীয়ে আচামীৰ বিৰুদ্ধে অভিযোগ-নামা দাখিল কৰিছিল। অভিযোজন পক্ষই ৪

গৰাকী সাক্ষীৰ সাক্ষ্য প্ৰদান কৰিছিল। অভিযোজন পক্ষৰ ১নং সাক্ষী অনিল পালে সাক্ষ্য প্ৰদান কৰি কৈছিল যে তেঁওৰ দোকানৰ সন্মুখত মানুহৰ ভিৰ আছিল আৰু আৰক্ষীয়ে তেওঁক জব্দ তালিকাত চহী কৰিবলৈ কোৱাত তেঁও চহী কৰিছিল। কিন্তু তেওঁক আৰক্ষীয়ে জব্দ কৰা সামগ্ৰীসমূহ দেখুওৱা নাছিল।

৩) তেওঁ কয় যে আচামীয়ে কোনো তীৰখেলৰ টিকট বিক্ৰী কৰিছিল নে নাই, সেই বিষয়ে তেওঁ অৱগত নাছিল। অভিযোজন পক্ষৰ ২নং সাক্ষী অৰুণ পাটোৱাৰীয়েও একেখিনি কথাকে কৈছিল। তেওঁ কৈছিল যে জব্দ তালিকাখন প্ৰস্তুত কৰি তেওঁৰ ওচৰলৈ লৈ অহা হৈছিল আৰু তেওঁ সেইখনত চহী কৰিছিল। তেওঁ কৈছিল যে তেওঁ কিছুমান তীৰখেলৰ টিকট আৰু বল পেন দেখিছিল, কিন্তু তেওঁক কোনো টকা-পইছা দেখুওৱা হোৱা নাছিল। তেওঁ কৈছিল যে তেওঁ আচামীক তীৰখেলৰ টিকট বিক্ৰী কৰি থকা দেখা নাছিল আৰু আৰক্ষীয়েও তেওঁক এই বিষয়ে কোনো কথা জনোৱা নাছিল। অভিযোজন পক্ষৰ ৩নং সাক্ষী আৰক্ষী (চি.আই.বি.) উপ-পৰিদৰ্শক এ. কে. সাহাই উল্লেখ কৰিছিল যে তেওঁ এগৰাকী ব্যক্তিক তীৰখেলৰ টিকট বিক্ৰী কৰি থকা দেখা পাইছিল আৰু তেওঁ আচামীয়েই সেইগৰাকী ব্যক্তি বুলি চিনাক্ত কৰিছিল। তীৰখেলৰ টিকট, নগদ ২৩.১৫ টকা, এটা বল পেন জব্দ কৰা হৈছিল আৰু আচামীক গ্ৰেপ্তাৰ কৰা হৈছিল। অভিযোজন পক্ষৰ ৪নং সাক্ষী ভোলানাথ ভূঞা হৈছে আৰক্ষীৰ চি.আই.ডি. শাখাৰ উপ-পৰিদৰ্শক। তেওঁ উল্লেখ কৰিছিল যে তেওঁ চৌৰাংগী হোটেলৰ সন্মুখত আচামীক তীৰখেলৰ টিকট বিক্ৰী কৰি থকা দেখা পাইছিল আৰু আচামীক তেওঁলোকে কৰায়ত্ত কৰিছিল। আচামীৰ হাতত তীৰখেলৰ টিকট, নগদ ২৩.১৫ টকা

পোৱা গৈছিল। এখন জব্দ তালিকা প্ৰস্তুত কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত এখন এজাহাৰ দাখিল কৰা হৈছিল।

৪) এই প্ৰমাণসমূহৰ ভিত্তিত নিম্ন আদালতে ৰায় দিয়ে যে অভিযোজন পক্ষই যথাযথভাৱে সন্দেহৰ উৰ্ধত এই মোকৰ্দমা প্ৰতিষ্ঠা কৰিছে আৰু আচামীক দোষী সাব্যস্ত কৰিছিল। দোষী সাব্যস্ত কৰি দিয়া শাস্তিৰ আদেশটো আৰু দণ্ডাজ্ঞা আপীল আদালতে বাহাল ৰাখে।

৫) বিধি অনুসৰি বাজি ধৰা বা জুৱা খেলা এক অপৰাধ। সাধাৰণতে এনে কাৰ্যসমূহ ফুৰ্তি, আনন্দ, বিনোদন বা আমোদ-প্ৰমোদ বা উত্তেজনাৰ মাধ্যম হিচাপে গ্ৰহণ কৰা হয়। কিন্তু আইনে বাজি ধৰাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে আৰু ইয়াক ৰাজহুৱা নীতিবিৰুদ্ধ অপৰাধ হিচাপে গণ্য কৰে। কিন্তু অভিযোজন পক্ষই আইনখনত সংজ্ঞায়িত অপৰাধৰ উপাদানসমূহ প্ৰমাণ কৰিব লাগিব। আবেদনকাৰীৰ বিৰুদ্ধে উত্থাপিত কৰা অপৰাধটো হৈছে তেওঁক "তীৰখেলৰ বাজিৰ টিকট" বিক্ৰী কৰি থকা অৱস্থাত পোৱা গৈছিল আৰু তেওঁৰ হাতত কিছুমান সঁজুলি যেনে বল পেন, তীৰখেলৰ টিকট আৰু নগদ টকা পোৱা গৈছিল।

৬) ১৯৭০ৰ দ্য আসাম গেম এণ্ড বেটিং এক্ট (অসম জুৱা আৰু বাজী আইন, ১৯৭০)-ৰ দ্বাৰা ৰাজহুৱা জুৱা আইন, ১৮৬৭-ক সমগ্ৰ অসমজুৰি বলৱৎ কৰা হৈছিল। উক্ত আইনখনে "ৰাজহুৱা জুৱা"ক সামৰি লয়। কিন্তু অসম আইনৰ ভিত্তিত "বাজি"কো অপৰাধ হিচাপে গণ্য কৰা হয়। খেল আৰু ক্ৰীড়াত জুৱা আৰু বাজি লগোৱা সমগ্ৰ ৰাজ্যজুৰি ব্যাপকভাৱে প্ৰসাৰিত হৈ আছিল আৰু ই জনসাধাৰণৰ নৈতিকতা অৱনমিত হোৱাৰ আৰু ব্যাপক শোষণৰ কাৰক হোৱাৰ লগতে ৰাজহুৱা শান্তি আৰু শৃংখলাৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছিল বাবে খেল আৰু ক্ৰীড়াৰ ওপৰত বাজি

লগোৱাকো অপৰাধ হিচাপে গণ্য কৰা হৈছিল। “বাজি” শব্দটো “এই আইন”খনৰ ২(ক) ধাৰাৰ অধীনত সংজ্ঞায়িত কৰা হৈছে। মই এই ধাৰাটোৰ প্ৰাসংগিক বিধানসমূহ বাছি উলিয়াইছোঁ।

“২. সংজ্ঞা– এই আইনখনৰ উদ্দেশ্যৰ বাবে, যদিহে এই প্ৰসংগত কোনো বিপৰীত অভিপ্ৰায় প্ৰতীয়মান নহয় –

(ক) সকলো ব্যাকৰণগত ভিন্নতাৰ সৈতে ‘বাজি’ৰ অৰ্থ হৈছে কোনো টকা বা কোনো মূল্যৱান জমানত বা বস্তু এজন ব্যক্তিয়ে নিজৰ হৈ বা আন কোনো ব্যক্তিৰ হৈ, নিজে বা কোনো প্ৰতিনিধিৰ জৰিয়তে বা তেওঁৰ হৈ কাম কৰা বা তেওঁৰ দ্বাৰা নিযুক্ত কোনো ব্যক্তিয়ে কোনো খেল বা ক্ৰীড়াৰ লগত জড়িত এক অনিৰ্দিষ্ট বস্তু, পৰিঘটনা বা অনিশ্চিত ঘটনা সংঘটিত হওঁতে বা নিৰ্ধাৰিত হওঁতে হৰা বা জিকাৰ বাবে পণ ৰখা আৰু ইয়াত বাজী গ্ৰহণ কৰাটো অন্তৰ্ভুক্ত থাকিব।

ইয়াৰ উপৰিও কোনো খেল বা ক্ৰীড়াৰ লগত জড়িত বাজীচুক্তিত সামৰি লোৱা সমগ্ৰ বন্ধকী সামগ্ৰী আৰু লেনদেন ইয়াত অন্তৰ্ভুক্ত হ’ব, কিন্তু ইয়াতে লটাৰী বা ঘোঁৰা দৌৰত লগোৱা বাজী, তেনে বাজী হোৱাৰ সময়ত অন্তৰ্ভুক্ত কৰা নহ’ব।”

২(ঘ) ধাৰাৰ অধীনত “বাজীৰ সঁজুলি”ক তলত উল্লেখ কৰা ধৰণে সংজ্ঞায়িত কৰা হৈছে –

“(ঘ) ‘বাজীৰ সঁজুলি’ৰ ভিতৰত যিকোনো ফলক, মেজ, টিকট, কুপন, কিতাপ, বহীৰ ৰছিদ, আৰু কোনো খেল বা ক্ৰীড়াত বাজী লগাবৰ বাবে বা বাজী লগোৱাৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰা অন্য যিকোনো সামগ্ৰী অন্তৰ্ভুক্ত হব।”

৭) সেয়েহে বাজী ধৰাৰ অপৰাধ প্ৰতিষ্ঠা কৰিবলৈ অভিযোজন পক্ষই প্ৰতিষ্ঠা কৰিব লাগিব যে কোনো টকা বা কোনো মূল্যৱান জমানত বা বস্তু এজন ব্যক্তিয়ে নিজৰ হৈ বা আন কোনো ব্যক্তিৰ হৈ, নিজে বা কোনো প্ৰতিনিধিৰ জৰিয়তে বা তেওঁৰ হৈ কাম কৰা বা তেওঁৰ দ্বাৰা নিযুক্ত কোনো ব্যক্তিয়ে কোনো খেল বা ক্ৰীড়াৰ লগত জড়িত এক অনিৰ্দিষ্ট বস্তু, পৰিঘটনা বা অনিশ্চিত ঘটনা সংঘটিত হওঁতে বা নিৰ্ধাৰিত হওঁতে হৰা বা জিকাৰ বাবে পণ ৰাখিছিল; ইয়াত বাজী গ্ৰহণ কৰাটো অন্তৰ্ভুক্ত হয়।

৮) এতিয়া সেই অনিৰ্দিষ্ট বস্তু বা পৰিঘটনা বা অনিশ্চিত ঘটনা বা খেল বা ক্ৰীড়াটো কি আছিল যাৰ বাবে অভিযুক্তই সঁজুলিসমূহ ৰাখিছিল? অবৈধ খেলসমূহ কেনেদৰে খেলা হয় বা খেলৰ ধৰণ বা পদ্ধতিৰ বিষয়ে আদালতসমূহ জ্ঞাত বুলি অনুমান কৰি ল'ব নোৱাৰি। ইয়াৰ কোনো প্ৰমাণ নাই যে কোনো ব্যক্তিয়ে কোনো পৰিঘটনা বা অনিশ্চিত ঘটনা বা কোনো খেল বা ক্ৰীড়াৰ ফলাফলত কোনো পণ ৰাখিছে যাৰ বাবে অংশগ্ৰহণকাৰীসকলে কোনো উপৰঞ্চি প্ৰাপ্তি অৰ্থাৎ টকা লাভ কৰিব। কোনো খেল বা ক্ৰীড়াৰ বাবে টিকট ক্ৰয় কৰাটো স্বয়ংক্ৰিয়ভাৱে এক বাজীৰ কাৰ্যত পৰিণত নহয়। অভিযোজন পক্ষই যথাযথভাৱে যুক্তিসংগত সন্দেহৰ উৰ্ধত বুলি প্ৰতিষ্ঠা কৰিব লাগিব যে কোনো টকা বা কোনো মূল্যৱান জমানত বা বস্তু কোনো খেল বা ক্ৰীড়াৰ লগত জড়িত এক অনিৰ্দিষ্ট বস্তু, পৰিঘটনা বা অনিশ্চিত ঘটনা সংঘটিত হঁওতে বা নিৰ্ধাৰিত হওঁতে হৰা বা জিকাৰ বাবে পণ ৰখা হৈছিল। ইয়াৰ একেবাৰেই কোনো সমল নাই যে উল্লেখিত টিকটসমূহ বিক্ৰী কৰাৰ কাৰ্য কোনা পণ প্ৰক্ৰিয়াৰ অংশ হয়। সম্পূৰ্ণ সাক্ষ্য হ'ল যে আবেদনকাৰীয়ে কিছুমান তীৰখেলৰ টিকট বিক্ৰী কৰি আছিল আৰু তেওঁৰ হাতত তেনে কিছুমান টিকট, এটা বল পেন, আৰু কিছু নগদ টকা

পোৱা গৈছিল। আদালতে অনুমান কৰি এই সিদ্ধান্তত উপনীত হব নোৱাৰে যে সেয়া নিশ্চিভাৱে কোনো পণ প্ৰক্ৰিয়াৰ অংশ আছিল। সেই খেল বা ক্ৰীড়াটো কি আছিল? অভিযোজন পক্ষই সেই বিষয়ে কোনো উল্লেখ কৰা নাই। এই বিষয়ে কোনো তথ্য নাই যে কোনো অনিৰ্দিষ্ট বস্তু, পৰিঘটনা, বা অনিশ্চিত ঘটনা সংঘটিত হওঁতে বা নিৰ্ধাৰিত হওঁতে জিকিবলৈ বা হাৰিবলৈ কোনো বস্তু পণ ৰখা হৈছে। এনে প্ৰমাণৰ ভিত্তিত অভিযোজন কক্ষই “এই আইন”ৰ ১৪ নং ধাৰাৰ অধীনত গোচৰটো প্ৰতিষ্ঠা কৰিব নোৱাৰে। এই প্ৰসংগত এক বিশাল শূন্যতা আছিল আৰু সকলোবোৰ আদালতক অনুমান কৰিবলৈ এৰি দিয়া হৈছিল। এনে পৰিপ্ৰেক্ষিতত একমাত্ৰ এইটোহে অনুমান কৰিব পাৰি যে নিৰ্দোষী অভিযুক্তগৰাকীয়ে এনে কোনো কাৰ্য কৰি আছিল যিটো বৈধ আৰু স্বাভাৱিক আছিল । প্ৰমাণৰ অভাৱত আদালতে বিৰূপ অনুমান উলিয়াবলৈ আৰু কল্পনাৰ ভিত্তিত অভিযুক্তৰ বিৰূদ্ধে গোচৰ গঢ়ি তুলিবলৈ অক্ষম । বিষয়টোৰ এই দিশটো নিম্ন আদালতসমূহে সম্পূৰ্ণৰূপে এৰি গৈছিল। এই পৰিপ্ৰেক্ষিতত মই এই ৰায় দিবলৈ বাধ্য হৈছো যে দোষী সাব্যস্ত কৰি দিয়া শাস্তিৰ আদেশ খাৰিজ কৰিব লাগিব, যিটো মই এই ৰায়ৰ দ্বাৰা কাৰ্যকৰী কৰিছোঁ।

৯) পৰিণামস্বৰূপে এই আবেদনখন গ্ৰাহ্য কৰা হল । দোষী সাব্যস্ত কৰি দিয়া শাস্তিৰ আদেশ খাৰিজ কৰা হল । আবেদনকাৰীয়ে তেওঁৰ জামিন নামাৰ চৰ্ত অনুসৰি আত্মসমৰ্পন কৰাৰ কোনো প্ৰয়োজন নাই আৰু যদি জৰিমনা আদায় কৰা হৈছে, তেনেহলে আবেদনকাৰীক সেই ধনৰাশি ঘূৰাই দিয়া হওক।

১০) আবেদন মঞ্জুৰ কৰা হ’ল।

---

অনুবাদকঃ- ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

পৰীক্ষকঃ- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)

…………………………………